জাতিৰ আৱেগ সমাজৰ বিৱেক

দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ৩৫৪ ● শুকুৰবাৰ ● ১৭ ভাদ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday September 4, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰক

শিহৰণকাৰী

গুলীত

আৰম্ভ

ত্যাকাৰী জো

ৰ চৌধুৰীক

ঃ নিজা বাতৰি

ৰ ঃ কামৰূপ জি

ৰ অন্তৰ্গত অসম

গামেৰীমূৰ

কানৈ মহাবিদ্যালয়ত 'প্ৰিন্সিপালছ লাষ্ট ক্লাছ ৪.০' বক্তৃতানুষ্ঠানত ড° কিৰণ হাজৰিকা

জ্ঞানীৰ সান্নিধ্যই জীৱনক সঠিক দিশ দেখুৱায়

ডিব্ৰুগড ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ ছেপ্টেম্বৰ ঃ 'জ্ঞানী মানুহৰ সান্নিধ্যই জীৱনৰ সফলতাত অৰিহণা যোগায়। জীৱনৰ পথ সদায় মসৃণ নহয়, বিভিন্ন সময়ত সন্মুখীন হোৱা অভিজ্ঞতা, প্ৰত্যাহ্বান আৰু সিদ্ধান্তই মানুহক গঢ়ি তোলে। এনে সময়ত জ্ঞানী, অভিজ্ঞ আৰু মূল্যবোধসম্পন্ন ব্যক্তিৰ সান্নিধ্যই মানুহক সঠিক সিদ্ধান্ত ১৩ পিঠিলৈ

জিলা প্ৰশ
উপলব্ধ হ'ব
DIPR/D/JMB/415/4-Sep-2

দৈনিক জনমভূমি

চুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ৩৫৪ ● শুকুৰবাৰ ● ১৭ ভাদ ● ১৯৪৮ শক ● DAINIK JANAMBHUMI ● Tinsukia ● Friday

া। তেখেতৰ স্বাক্ষৰিত নিযুক্তি পত্ৰখন
নিজৰ অধীনলৈ নিব।

এজনক...

ন আহিছিল। পাপুমপাৰে জিলা আৰু
ৰাধী লেগ্তো জোমোহক আই পি চিৰ
ৰু জাল নট ৰখাৰ অপৰাধত আদালতে
জা আৰু আন এটা অভিযুক্ত হোগলী
ৰে। ইফালে যোৱা ২৭ আগষ্টত এই
যদিও ১ ছেপ্টেম্বৰত প্ৰেছ বিবৃতিযোগে
। জাল নট নিৰ্মাণক ৰাষ্ট্ৰীয় অৰ্থনীতিত
অভিহিত কৰি কোৱে জোমোহক ১০
আৰু ধাৰা ৪৮৯এৰ অধীনত ১০,০০০
৪৮৯চি ধাৰাত ৫ হাজাৰ জৰিমনাৰে
ন কৰা হয়।

দুৰ্বিষহ...

ব্যৱসায়ী আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে
জে গহপুৰৰ বিধায়ক উৎপল বৰা,
নন্দ ৰঞ্জিত দত্তৰো দৃষ্টি আকৰ্ষণ কৰি
ৰ বাবে সুচল কৰিবলৈ দাবী জনাইছে।

০ কোটিৰ...

। অসম ৰাইফলছ, চি আৰ পি এফ
গছ-বিৰোধী অভিযান চলায়। জানিব
াতে লাগি থকা মাখা বস্তি অঞ্চলত
ত ১০.৮৯১ কেজি ব্ৰাউন ছুগাৰ জব্দ
ন্য প্ৰায় ৮০ কোটি টকা বুলি জানিব
০০ টকা আৰু এটা ম'বাইল ফ'নো
এজন লোকক গ্ৰেপ্তাৰ কৰে।

ন্তৰ বিৰুদ্ধে...

স্মাৰক-পত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।
সংগঠন সদৌ অসম মটক যুৱ-ছাত্ৰ
ক সাধাৰণ সম্পাদক অমলেন্দু ফুকনে
কৰ কাৰিকৰী শিক্ষানুষ্ঠানখন কোনো
জনাইছে। ডিব্ৰুগড় জিলাৰ একমাত্ৰ
উন্নত কৰিবলৈ সংগঠনটোৰ সভাপতি
া, সাধাৰণ সম্পাদক অমলেন্দু ফুকনে
ডাঃ ৰণোজ পেগুক আহ্বান জনাইছে।
ন্তৰিত কৰাৰ সিদ্ধান্ত বাতিল নকৰিলে
কৰিব বুলি সংগঠনটোৱে চৰকাৰক
টক যুৱ-ছাত্ৰ সন্মিলনৰ এটা সঁজাতী
ক ৰূপক গগৈক সাক্ষাৎ কৰি এক
ৰ জনোৱা মতে, বৰ্তমানলৈকে বিভাগৰ
অহা নাই। উল্লেখযোগ্য যে নতুনকৈ
পলিটেকনিক শিক্ষানুষ্ঠানখন বকুলৰ
ত্ব অৰ্পণ কৰাক লৈ ৰহস্যৰ সৃষ্টি হৈছে।

জ্ঞানীৰ সান্নিধ্যই জীৱনক...

লোৱাত সহায় কৰাৰ লগতে জীৱনৰ লক্ষ্য নিৰ্ধাৰণতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ মনোবিজ্ঞান বিভাগৰ অধ্যাপিকা উপাসনা দত্ত আৰু সমাজতত্ব বিভাগৰ অধ্যাপিকা সুজাতা সোণোৱালৰ উদ্যোগত অনুষ্ঠিত হোৱা 'প্ৰিঞ্চিপালছ লাষ্ট ক্লাছ-৪.০' উদ্বোধন কৰি পাঞ্জাব কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সম-উপাচাৰ্য তথা বিশিষ্ট শিক্ষাবিদ ড° কিৰণ হাজৰিকাই আজি এইদৰে কয়। দুখনকৈ বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য হিচাপে দায়িত্ব পালন কৰা অসম গৌৰৱ ড° হাজৰিকাই কেৱল কিতাপৰ জ্ঞান আহৰণ কৰিলেই এজন মানুহ সম্পূৰ্ণ জ্ঞানী হৈ নুঠে বুলি উল্লেখ কৰি কয়— 'জীৱনক গভীৰভাৱে বুজিবলৈ হ'লে অভিজ্ঞ আৰু জ্ঞানী ব্যক্তিৰ পৰা শিকিব লাগিব, তেওঁলোকৰ চিন্তা-চেতনা আৰু জীৱনবোধৰ সৈতে পৰিচিত হ'ব লাগিব।' তেওঁ কয়— 'শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সান্নিধ্যই ছাত্ৰ-ছাত্ৰীৰ মনত কেৱল শৈক্ষিক জ্ঞানেই নহয়, নৈতিকতা, দায়িত্ববোধ, আত্মবিশ্বাস আৰু জীৱনক ইতিবাচক দৃষ্টিৰে চোৱাৰ মানসিকতাও গঢ়ি তোলে।' ড° হাজৰিকাই কয়— 'এগৰাকী ভাল শিক্ষক বহু সময়ত এখন কিতাপতকৈও অধিক শক্তিশালী শিক্ষাৰ উৎস হৈ পৰে, কিয়নো শিক্ষকৰ জীৱন-অভিজ্ঞতা আৰু মূল্যবোধে শিক্ষাৰ্থীৰ জীৱনলৈ সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পাৰে।' অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় পৌৰনিগমৰ কাৰ্যবাহী বিষয়া মৃত্যুঞ্জয় ভৰালীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— 'এটা চৰকাৰী চাকৰি লাভ কৰাটোৱেই জীৱনৰ প্ৰকৃত সফলতা নহয়, নিজৰ দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰিলেহে প্ৰকৃত সফলতা লাভ কৰা হয়। তেওঁ কয় যে বৰ্তমান সময়ত বহু যুৱক-যুৱতীৰ বাবে এটা ভাল চাকৰি লাভ কৰাই জীৱনৰ একমাত্ৰ লক্ষ্য হৈ পৰিছে। কিন্তু চাকৰি লাভ কৰাটো সফলতাৰ এটা পৰ্যায়হে, প্ৰকৃত সফলতা নিৰ্ভৰ কৰে সেই দায়িত্ব কিমান সততা, নিষ্ঠা আৰু দায়বদ্ধতাৰে পালন কৰা হৈছে তাৰ ওপৰত।' তেওঁ কয় এজন ব্যক্তিৰ মূল্যায়ন কেৱল তেওঁৰ পদবী বা কৰ্মক্ষেত্ৰৰ ওপৰত নহয়, বৰং তেওঁ সমাজ আৰু দেশৰ প্ৰতি কিমান দায়িত্বশীল, কৰ্তব্যনিষ্ঠ আৰু মানৱীয় সেই কথাৰ ওপৰতহে নিৰ্ভৰ কৰে। তেওঁ কয়— 'চৰকাৰী চাকৰি হওক বা বেচৰকাৰী কৰ্মসংস্থান, যিকোনো ক্ষেত্ৰতে সততা, সময়ানুবৰ্তিতা, নিষ্ঠা আৰু জনসেৱাৰ মনোভাৱ থাকিলেহে এজন ব্যক্তি প্ৰকৃত অৰ্থত সফল হ'ব পাৰে।' তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ পেছাগত লক্ষ্যৰ লগতে এগৰাকী দায়িত্বশীল আৰু সংবেদনশীল নাগৰিক হিচাপে নিজকে গঢ়ি তুলিবলৈ আহ্বান জনায়। অধ্যাপিকা উপাসনা দত্তই আঁত ধৰা অনুষ্ঠানত 'প্ৰিঞ্চিপালছ লাষ্ট ক্লাছ-৪.০' বক্তৃতামালাত জীৱন, সময় আৰু কৰ্মৰ সুৱাস— কানৈ কলেজৰ চৌহদৰ পৰা হৃদয়ৰ ঠিকনালৈ শীৰ্ষক বিষয়ত অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— 'মানুহে কোনো এটা প্ৰতিষ্ঠান এৰি যাব পাৰে, কিন্তু তেওঁ যদি কাৰোবাৰ হৃদয়ত স্থান লাভ কৰে, তেন্তে তেওঁ কেতিয়াও আঁতৰি যাব নোৱাৰে।' অধ্যক্ষগৰাকীয়ে কয়— 'এটা বীজ মাটিৰ তলত পুতি থ'লে তাক চাই কোনোবাই ক'ব পাৰে এইটো এটা সৰু বীজ, কিন্তু সৰু বীজৰ ভিতৰত এজোপা ডাঙৰ গছ লুকাই থাকে।' অধ্যক্ষ ড° শইকীয়াই কয়— 'শ্ৰেণীকোঠাৰ পৰা খেলপথাৰলৈ, পুথিভঁৰালৰ নিস্তব্ধতাৰ পৰা কেন্টিনৰ সজীৱ হাঁহিলৈ, সকলোতে ছাত্ৰ-ছাত্ৰীসকলক দেখা পাওঁ। যেতিয়াই মহাবিদ্যালয়ৰ বাৰাণ্ডাৰে খোজ কাঢ়ি যাওঁ, ছাত্ৰ-ছাত্ৰীসকলৰ দুচকুৰ জিলিকনিবোৰে সোঁৱৰাই দিয়ে যে জীৱনৰ প্ৰতিটো পল কেৱল ছাত্ৰ-ছাত্ৰীসকলৰ উত্তৰণৰ বাবেই উছৰ্গা হ'ব লাগিব।' তেওঁ কয়— 'জীৱনৰ নিজা কোনো অৰ্থ নাই। জীৱনক যি অৰ্থ দিব বিচৰা যায় তাকে দিব পাৰে। গতিকে জীৱনৰ অৰ্থ কি বুলি চিন্তা কৰাত সময় নষ্ট নকৰি এই জীৱনটো ব্যৱহাৰ কৰি এক অৰ্থপূৰ্ণ কাম কৰা উচিত।' অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপিকা ড° মৰমী তালুকদাৰকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা সুজাতা সোণোৱালে।

দাৰিদ্ৰ্য সাম

মাচুল ৰেহাই দিয়া আঁচনিখনে বহু দাৰিদ্
উচ্চ শিক্ষা গ্ৰহণৰ সপোন বাস্তৱ কৰিছে
শিক্ষা, চিকিৎসা, যাতায়াত আৰু ন্যায়সু
এই মাচুল ৰেহাই আঁচনিৰ ছাত্ৰ সন্থাই
কিন্তু শেহতীয়াকৈ 'এৰিয়াৰ/বেকলগ
ক্ষেত্ৰত এই আঁচনিৰ আওতাৰ বাহিৰত
কোনো কাৰণত গ্ৰহণযোগ্য নহয়। প্ৰ
ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণ মাচুল পৰিশোধ কৰি
ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়া হোৱাত এ
দিয়াৰ জাননী জাৰি কৰিছে। ছাত্ৰ সন্থাই
আনহাতে, ৰাজ্যৰ বিভিন্ন মহাবিদ্যাল
স্নাতক ডিগ্ৰী পাঠ্যক্ৰমৰ চতুৰ্থ বৰ্ষৰ শি
নামভৰ্তি আঁচনি প্ৰযোজ্য হ'ব নে নহ
নথকাত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। ফলত
কৰ্তৃপক্ষ উভয়েই অনিশ্চয়তাৰ সন্মুখীন
চাৰি বছৰীয়া স্নাতক ডিগ্ৰী পাঠ্যক্ৰমৰ
সমগ্ৰ পাঠ্যক্ৰমত এই বিনামূলীয়া নামভ
এই সন্দৰ্ভত চৰকাৰক স্পষ্ট কৰিবলৈ

বগীনদীৰ

এজন ব্যক্তি সন্ধানহীন হৈ আছে। দুটি স
ডেৰ মাহ ধৰি সন্ধানহীন হৈ আছে। সম্ভা
নিপনৰ কোনো সন্ধান পোৱা নাই। এই সং
এজাহাৰ দিছিল যদিও আৰক্ষীয়েও বিষয়
পৰিয়ালে অভিযোগ উত্থাপন কৰিছে।
সোণোৱালৰ সন্ধান পায় তেন্তে ৯৪৭৬৫
জনাবলৈ আহ্বান জনাইছে নিপনৰ পৰিয়া

জাতীয় গণ মঞ্চ

অনুষ্ঠিত বিশাল গণ সমাৱেশৰ জৰিয়তে
ৰাজনৈতিক মঞ্চ জাতীয় গণ মঞ্চৰ প্ৰথ
বৰডুমচাৰ বালিজান বাজহুৱা পেক্ষাগৃহত
উদ্‌যাপনৰ উদ্দেশ্যে প্ৰস্তুতি তুংগত হৈ উঠি
ৰাজনৈতিক সচেতনতাৰে অধিকাৰ সুৰক্ষা
গণ মঞ্চৰ ৩০টা সমষ্টি সমিতিৰ পূৰ্ণ সহযো
প্ৰদৰ্শন কৰিবলৈ প্ৰস্তুতি অব্যাহত ৰখা প্ৰতি
সংগঠনৰ কেন্দ্ৰীয় বিষয়ববীয়া উপস্থিত থা
মৰাণৰ সহস্ৰাধিক মহিলাই ফিল'বাৰীৰ গা
পৰা জুবিনৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনাই
উলিওৱাৰ কাৰ্যসূচী হাতত লৈছে। ইফালে
ইতিমধ্যে মঞ্চৰ অধীনৰ ৩০খন সমষ্টি
সমষ্টিসমূহত ৰাজনৈতিক সচেতনতা
উদ্‌যাপনস্থলীত জাতীয় মঞ্চৰ কেন্দ্ৰীয়
জাতিটোৰ সকলো শ্ৰেণী ৰাইজৰ পূৰ্ণ
ফিল'বাৰী অঞ্চলৰ পেগুৱী নলনী ত
সংঘৰ কাৰ্যালয়ত আজি গঠন কৰা হয়